**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 04-09-2026**
**Time:** 09-00 Hrs

***Assamese Morning Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::

১। অসম আৰক্ষীত নতুনকৈ দুটা বেটেলিয়ন গঠন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। ৰাজ্যিক কৃতি শিক্ষক বঁটা ২০২৬ৰ বাবে ১৫গৰাকী শিক্ষকক বাছনি।

৩। ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমী আজি ৰাজ্যজুৰি পৰম্পৰাগত ৰীতি-নীতিৰে উলহ-মালহেৰে উদযাপন।

৪। কলিয়াবৰৰ পৰা নিৰ্মাণ হ'বলগীয়া এলিভেটেড কৰিডʼৰৰ নিৰ্মাণৰ প্ৰস্তুতি সন্দৰ্ভত মন্ত্ৰী কেশৱ মহন্তৰ পৰ্যালোচনা।

*আৰু*

৫। ডুবাইত অনুষ্ঠিত মহিলাৰ টি-২০ এছিয়া কাপত ভাৰতীয় দলটো ছেমি ফাইনেলত প্ৰৱেশ।

০০০০

অসম আৰক্ষীত নতুনকৈ দুটা বেটেলিয়ন গঠন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ কালি দেৰগাঁৱত অনুষ্ঠিত প্ৰতিখন জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলৰ সন্মিলনত অংশগ্ৰহণ কৰি এই মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী আৰু শোধনাগাৰ আৰু তৈলক্ষেত্ৰ সুৰক্ষাৰ বাবেও এটা বিশেষ বেটেলিয়ন গঠন কৰা হ'ব বুলিও জনায়।

আৰক্ষী সন্মিলনত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সংবাদমাধ্যমক সম্বোধন কৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ কথা অৱগত কৰে। লাচিত বৰফুকন একাডেমীক কম সময়ৰ ভিতৰতে পূৰ্ণাংগ ৰূপ দিয়াৰ লগতে এই একাডেমীখনক ৰাষ্ট্ৰীয় মানৰ অত্যাধুনিক প্ৰশিক্ষণ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰে। একেখন সংবাদ মেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই অসম আৰক্ষীত খালী থকা পাঁচ হাজাৰৰো অধিক পদত নিযুক্তি দিয়া হ'ব বুলিও প্ৰকাশ কৰে।

০০০০

ৰাজ্যিক কৃতি শিক্ষক বঁটা-২০২৬ৰ বাবে ১৫ গৰাকী শিক্ষকক বাছনি কৰা হৈছে। ৰাজ্যিক পৰ্যায়ৰ নিৰ্বাচনী সমিতিৰ অনুমোদনমৰ্মে মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজাই কালি এখন জাননীৰ জৰিয়তে কৃতি শিক্ষক বঁটা প্ৰাপকসকলৰ নাম ঘোষণা কৰে। যোৰহাট জিলাৰ মালৌআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ শ্যামলিমা বৰা, কামৰূপ মহানগৰৰ কামাখ্যা বিদ্যালয় হাইস্কুলৰ সহকাৰী শিক্ষক বিজন ৰয় ভৌমিক, নলবাৰীৰ চৰকাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষক মানৱ ভৰালী, ডিব্ৰুগড়ৰ পি এম শ্ৰী ৰহমৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষক ৰিজু কুমাৰ চুতীয়া, শোণিতপুৰৰ তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষক প্ৰবীন কোচ, বৰপেটাৰ পি এম শ্ৰী ভেল্লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰণেন্দ্ৰ কুমাৰ দাস, ধুবুৰীৰ পি এম শ্ৰী জামাদৰহাট জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষক আজিজুৰ ৰহমান, নগাঁৱৰ বৰাপুজিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক মাণিক চন্দ্ৰ নাথ, কোকৰাঝাৰৰ হৰিণাগুৰি হাইস্কুলৰ সহকাৰী শিক্ষক বিবি প্ৰসাদ ব্ৰহ্ম, গোলাঘাটৰ চৌকীয়াল নিম্ন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পুলস্কা ৰাজখোৱা, হোজাইৰ হাতীখালি অসমীয়া নিম্ন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সাৰংগ নিৰ্মলীয়া, ডিব্ৰুগড়ৰ ফটিকাছোৱা অভয়পুৰীয়া এম ভি এছৰ সহকাৰী শিক্ষক দিতিমণি দত্ত, দৰঙৰ ১৮২ নম্বৰ গোবিন্দধাম নিম্ন প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক বেফুলা ডেকা শইকীয়া, কাছাৰৰ ৫৭ নম্বৰ টিকালপাৰ চাহবাগান নিম্ন প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক স্বস্তায়ন দেৱ আৰু কাৰ্বি আংলঙৰ বকলিয়াঘাট চৰকাৰী এম ভি স্কুলৰ প্ৰধান শিক্ষক কামসিং হান্সেক কৃতি শিক্ষক বঁটাৰ বাবে বাচনি কৰা হৈছে।

কাইলৈ শিক্ষক দিৱসৰ দিনা পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী দামোদৰ দেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত কৃতি শিক্ষক কেইগৰাকীক বঁটা প্ৰদান কৰা হ'ব।

০০০০

ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমী আজি ৰাজ্যজুৰি পৰম্পৰাগত ৰীতি-নীতিৰে উলহ-মালহেৰে পালন কৰা হৈছে। জন্মাষ্টমী উপলক্ষে ৰাজ্যখনৰ সত্ৰ-নামঘৰসমূহৰ লগতে ঘৰে ঘৰে ব্যাপক আয়োজন চলিছে। ৰাজ্যখনৰ চৌদিশ কৃষ্ণ বন্দনাৰে মুখৰিত হৈ উঠিছে। উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত দৌল গোবিন্দ মন্দিৰতো বৰ্ণাঢ্য কাৰ্যসূচীৰ জন্মাষ্টমী উদযাপন কৰা হ'ব। বিগত বৰ্ষৰ দৰে এইবেলিও মন্দিৰৰ পৰম্পৰাগত বৈদিক ৰীতি-নীতিৰে জন্মাষ্টমীৰ আয়োজন কৰা হৈছে। দুপৰীয়া লগ্ন অনুসৰি মন্দিৰৰ বিগ্ৰহ মূল মণিকূটৰ পৰা উলিয়াই পূজাৰ বেদীত স্থাপন কৰি পূজা-অৰ্চনা কৰা হ'ব। লগতে দৌলগোবিন্দ মন্দিৰত নাম-প্ৰসংগও হ'ব।

সত্ৰনগৰী মাজুলী, বৰপেটা, বটদ্ৰৱা আদিৰ লগতে ৰাজ্যখনৰ প্ৰধান প্ৰধান সত্ৰ আৰু নামঘৰসমূহ জন্মাষ্টমী উপলক্ষে পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি সজাই-পৰাই তোলা হৈছে। পুৱাৰে পৰাই নামঘৰসমূহত ভকত আৰু আয়তীসকলৰ নাম-প্ৰসংগ, গীত-নৃত্য অনুষ্ঠান আদিৰ আয়োজন কৰা হৈছে। মাজুলীৰ ৩৩ খন সত্ৰ আৰু তিনিশৰো অধিক নামঘৰৰ লগতে প্ৰতিটো পৰিয়ালে জন্মাষ্টমী পালন কৰিছে। হৰিনাম কীৰ্তনৰ ধ্বনিৰে মাজুলী দ্বিতীয় বৈকুণ্ঠপুৰীত পৰিণত হৈছে।

বাইট (মাজুলী)

বৰপেটা জিলাৰ সত্ৰ নামঘৰসমূহতো উলহ-মালহেৰে শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উদযাপন কৰা হৈছে। বৰপেটা সত্ৰত পুৱাৰ প্ৰসঙ্গৰ পৰা আৰম্ভ কৰি মাজনিশালৈ সত্ৰীয়া পৰম্পৰা অনুসৰি কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। নিশা কৃষ্ণ জন্মৰ নাটিকা পৰম্পৰাগতভাৱে পৰিবেশন কৰা হ'ব। জন্মাষ্টমীৰ দিনটোত বৰপেটাৰ কিশোৰী আৰু যুৱতীসকলে উপবাসে থকাটো এটা পৰম্পৰা। নিশা শ্ৰীকৃষ্ণৰ জন্মৰ পাছতহে এই উপবাস ভংগ কৰা হয়। সৰভোগৰ শ্ৰীশ্ৰী গৰখীয়া গোঁসাই থানতো জন্মাষ্টমী পালন কৰা হয়। প্ৰতি বছৰে থানখনত আজিৰ দিনটোত পুৱাৰে পৰা বহু ভক্তৰ সমাগম হৈ আহিছে। ইয়াৰ উপৰি পাটবাউসীৰ শ্ৰীশ্ৰী শংকৰদেৱ থান সত্ৰ, গণককুছি সত্ৰতো সত্ৰীয়া নীতি-নিয়মেৰে জন্মাষ্টমী পালন কৰা হৈছে।

শিলচৰৰ শ্যাম সুন্দৰ আখৰা, ৰাধা মাধৱ আখৰা, গোপাল আখৰা, গৌৰী মঠসহ বিশ্ব হিন্দু পৰিষদৰ পৰিচালিত গোবিন্দবাৰীতো জন্মাষ্টমীৰ আয়োজন কৰা হৈছে।

জন্মাষ্টমী উপলক্ষে ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে শুভেচ্ছা জনায়।

ইপিনে, শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উপলক্ষে নলবাৰী জিলাৰ উলাবৰীত পাগলাদিয়া নদীৰ বুকুত এখন পৰম্পৰাগত নাও খেল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। উলাবৰী হিতসাধিনী পুথিভঁৰালৰ উদ্যোগত আয়োজিত ৮৩ সংখ্যক নাও খেল প্ৰতিযোগিতাত ভিন্ন প্ৰান্তৰ পৰা অহা ১৫খন খেল নাৱে অংশগ্ৰহণ কৰিব। বিয়লি ২ বজাত নাও খেল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

সমগ্ৰ দেশতে আজি ধৰ্মীয় ৰীতি-নীতিৰে শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উদযাপন কৰা হৈছে। এই উপলক্ষে ভক্তসকলে মন্দিৰসমূহ পৰিদৰ্শন কৰি ভগৱান শ্ৰীকৃষ্ণৰ উপাসনা কৰিছে। ভগৱান শ্ৰীকৃষ্ণক অৰ্পণ কৰিবলৈ মিঠাই আৰু আন সামগ্ৰী প্ৰস্তুত কৰিছে। শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উপলক্ষে গকুল আৰু বৃন্দাবনৰ মন্দিৰসমূহৰ লগতে বাসগৃহসমূহো সজাই-পৰাই তোলা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জন্মাষ্টমী উপলক্ষে জনসাধাৰণক শুভেচ্ছা জনাইছে। শ্ৰীমতী মুৰ্মুৱে দিয়া এটা বাৰ্তাত ভগৱান শ্ৰীকৃষ্ণৰ জীৱন আৰু শিকনিসমূহে দেশৰ সংস্কৃতি আৰু দাৰ্শনিক ঐতিহ্যত এটা নতুন মাত্ৰা প্ৰদান কৰিছে বুলি উল্লেখ কৰে।

০০০০

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, সাধাৰণ প্ৰশাসন আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কালি কলিয়াবৰৰ পৰা নুমলীগড়লৈ নিৰ্মাণ হ'ব লগা কাজিৰঙা এলিভেটেড কৰিডৰৰ নিৰ্মাণকাৰ্যৰ সৈতে জড়িত বিভিন্ন প্ৰক্ৰিয়া আৰু প্ৰস্তুতিমূলক কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰে। কলিয়াবৰ সমজিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত বৈঠকত তেওঁ লগতে কলিয়াবৰৰ পথ সুৰক্ষা ব্যৱস্থাৰ সৈতে জড়িত বিভিন্ন দিশসমূহো পৰ্যালোচনা কৰে। তেওঁ ৰাষ্ট্ৰীয় ঘাইপথৰ বিভিন্ন স্থানত সৃষ্টি হোৱা ভগা অংশ আৰু গাঁতসমূহ শীঘ্ৰেই মেৰামতি কৰাৰ নিৰ্দেশ দিয়ে। সংশ্লিষ্ট কৰ্তৃপক্ষই এইক্ষেত্ৰত শীঘ্ৰেই প্ৰয়োজনীয় মেৰামতিৰ কাম সম্পন্ন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীক আশ্বাস দিয়ে। এই পৰ্যালোচনা বৈঠকত প্ৰশাসনৰ বিষয়াসকলৰ লগতে জিলা পৰিবহণ বিষয়া, ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড আৰু ভাৰতীয় ৰাষ্ট্ৰীয়

ঘাইপথ প্ৰাধিকৰণ কৰ্তৃপক্ষৰ বিষয়া, সমজিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষককে ধৰি আন সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে।

০০০০

শিলচৰ পৌৰ নিগমৰ নিৰ্বাচন ৩ অক্টোবৰত অনুষ্ঠিত হ'ব। সেইদিনা পুৱা চাৰে ৭ বজাৰ পৰা বিয়লি ৪ বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইয়াৰ বাবে আনুষ্ঠানিক প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে। পৌৰ নিগমৰ ৪২ টা ৱাৰ্ডৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আগ্ৰহী প্ৰাৰ্থীসকলে চৰকাৰী বন্ধৰ বাবে দিনৰ ১১ বজাৰ পৰা বিয়লি ৩ বজালৈ মনোনয়ন পত্ৰ সংগ্ৰহ কৰিব পাৰিব। মনোনয়ন দাখিলৰ অন্তিম দিন ১১ ছেপ্তেম্বৰ ধাৰ্য কৰা হৈছে। ১৪ ছেপ্তেম্বৰত শিলচৰ চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এই মনোনয়নসমূহ পৰীক্ষা কৰা হ'ব আৰু ১৭ ছেপ্তেম্বৰৰ বিয়লি ৩ বজাৰ ভিতৰত প্ৰাৰ্থীসকলে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। নিৰ্বাচনী প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰিবলৈ জিলা প্ৰশাসনে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০

শ্ৰীভূমি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কালি জিলাৰ কৃষকসকলৰ বাবে সাৰ বিক্ৰী আৰু বিতৰণ ব্যৱস্থাক অধিক স্বচ্ছ, সহজ আৰু প্ৰযুক্তি নিৰ্ভৰ কৰি তুলিবলৈ এটা ম'বাইল এপ্লিকেচন মুকলি কৰা হয়। জিলা আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিবেদীয়ে এই এপটো মুকলি কৰাৰ ফলত জিলাৰ কৃষকসকল উপকৃত হ'ব বুলি প্ৰকাশ কৰে। ইয়াৰ ফলত কৃষকসকলৰ সাৰ সম্পৰ্কীয় সেৱা অধিক দ্ৰুত আৰু ফলপ্ৰসূভাৱে আগবঢ়াই নিয়াত সহায়ক হ'ব বুলি তেওঁ উল্লেখ কৰে। জিলাখনৰ পঞ্জীয়নভুক্ত কৃষকসকলে তেওঁলোকৰ প্ৰয়োজনীয় সাৰ এই এপটোৰ জৰিয়তে অনুমোদিত সাৰ বিক্ৰী কেন্দ্ৰৰ পৰা সহজে ক্ৰয় কৰিব পাৰিব।

০০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ জয়পুৰ সংহত শিশু বিকাশ সেৱা প্ৰকল্পৰ অন্তৰ্গত শিশু উন্নয়ন বিষয়াৰ কাৰ্যালয়টো কালি সমজিলা আয়ুক্ত বিৰাজ বৰুৱাই পৰিদৰ্শন কৰে। আয়ুক্তগৰাকীয়ে পৰিদৰ্শনকালত কাৰ্যালয়টোৰ কাম-কাজৰ সবিশেষ বুজ লোৱাৰ লগতে কৰ্মচাৰীসকলক চৰকাৰী সেৱাসমূহ অধিক ফলপ্ৰসূ আৰু সুচাৰুৰূপে আগবঢ়াই নিবলৈ নিৰ্দেশ দিয়ে।

০০০০

লখিমপুৰ জিলাৰ বিভিন্ন প্ৰান্তত কালি ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত যক্ষ্মা ৰোগ চিনাক্তকৰণৰ শিবিৰ অনুষ্ঠিত হয়। যক্ষ্মা ৰোগৰ প্ৰাথমিক লক্ষণসমূহ আগতীয়াকৈ ধৰা পেলোৱা আৰু আক্ৰান্তসকলক সঠিক সময়ত উন্নত চিকিৎসাৰ সুবিধা প্ৰদান কৰাৰ লক্ষ্যৰে জিলাখনৰ বিভিন্ন অঞ্চলত স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰা হয়। স্বাস্থ্য বিভাগে জিলাখনক সম্পূৰ্ণৰূপে যক্ষ্মামুক্ত কৰাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত উচ্চ শিক্ষা শিতানত কৃতি শিক্ষকৰ ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণ সংযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী অধ্যাপক তথা লেখক ড০ অংকুৰণ দত্তৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব জিণ্টী ৰাণী ডেকাই।

০০০০

নগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মা স্বেচ্ছাই চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছে। কিছুদিন পূৰ্বে স্বেচ্ছামূলক অৱসৰ বিচাৰি দেৱাশীষ শৰ্মাই কৰা আবেদন কালিৰে পৰা কাৰ্যকৰী হোৱাকৈ চৰকাৰে গ্ৰাহ্য কৰিছে। সমান্তৰালকৈ নগাঁও জিলাৰ নতুন আয়ুক্ত হিচাপে আই এছ বিষয়া আৰণ্যক শইকীয়াক নিযুক্তি দিয়া হৈছে।

০০০০

যোৰহাট জিলাৰ ক্ৰীড়া সন্থাৰ উদ্যোগত আজি ৬০ সংখ্যক এ টি পি এ শ্বিল্ড ফুটবল প্ৰতিযোগিতা আৰম্ভ হ'ব। যোৰহাট ষ্টেডিয়ামত হ'বলগীয়া আজিৰ উদ্বোধনী খেলখন যোৰহাটৰ ভিক্টৰিয়া ক্লাব আৰু এন আৰ এল ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হ'ব। খেলখন দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। এইবাৰৰ প্ৰতিযোগিতাত উত্তৰ-পূৰ্বাঞ্চলৰ ১০ টা দলে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাত ভাগ লোৱা আন দলসমূহ হৈছে – দুলীয়াজানৰ অইল ইণ্ডিয়া একাদশ, অসম পুলিচ ব্লুজ, নৰ্থ ইষ্ট ইউনাইটেড, এ এছ ই বি, যোৰহাট টাউন ক্লাব, ব্ৰহ্মপুত্ৰ ডলফিন, মণিপুৰৰ আছুপি ফুটবল ক্লাব আৰু ফুটবল ফৰ চেঞ্জ।

০০০০

ভাৰতৰ মহিলা ক্ৰিকেট দলটোৱে যোৱা নিশা ডুবাইত অনুষ্ঠিত মহিলাৰ টি-২০ এছিয়া কাপত হংকঙৰ বিৰুদ্ধে ১৩৭ ৰানত জয়লাভ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

প্ৰথমে বেট ধৰি ভাৰতে ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৯৩ ৰান সংগ্ৰহ কৰে। মাত্ৰ ৬৪ টা বলত ১২৪ ৰান কৰিবলৈ সক্ষম হোৱা স্মৃতি মান্ধনাক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। এই দৰ্শনীয় প্ৰদৰ্শনেৰে মান্ধনাই একাধিক বিশ্ব অভিলেখ ভংগ কৰাৰ লগতে মিতালী ৰাজক অতিক্ৰম কৰি মহিলাৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত সৰ্বাধিক ৰান সংগ্ৰহকাৰী হিচাপে পৰিগণিত হয়।

প্ৰত্যুত্তৰত হংকঙে ১৬ অভাৰ ২ টা বলত মাত্ৰ ৫৬ ৰান সংগ্ৰহ কৰে। কালিৰ খেলখনত ভাৰতৰ দীপ্তি শৰ্মাই ৩টা উইকেট দখল কৰাৰ বিপৰীতে প্ৰেমা ৰাৱট, শ্ৰী চৰানী, আৰু নন্দিনী শৰ্মাই ২টাকৈ উইকেট দখল কৰে।

০০০০

অসম আৰক্ষীত নতুনকৈ দুটা বেটেলিয়ন গঠন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰা বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে গঠন হ'ব দুটা নতুন আৰক্ষী বেটেলিয়ন শিৰোনামেৰে মুখ্য বাতৰিত স্থান দিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি দেৰগাঁও পুলিচ একাডেমীত ৰাজ্যৰ প্ৰতিখন জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলৰ সন্মিলনত অংশগ্ৰহণ কৰি ৰাজ্যজুৰি ড্ৰাগছ অভিযান অধিক শক্তিশালী কৰিবৰ বাবে নাৰ্কটিক্স টাস্ক ফোৰ্চ গঠন কৰা হ'ব বুলি প্ৰকাশ কৰাৰ এটা বাতৰি আমাৰ অসম কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে দ্য চেণ্টিনেল কাকতে Assam to Set-up Anti-Narcotic Task Force শিৰোনামেৰে বিস্তৃতভাৱে প্ৰকাশ কৰিছে।

যোৱা তিনিটা বছৰত অসমত প্ৰায় ১ লাখ ৬৫ হাজাৰ কিলোগ্ৰাৰ ওজনৰ ড্ৰাগছ জব্দ কৰা হৈছে বুলি এটা বাতৰিক তথ্য সহকাৰে দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্যিক কৃতি শিক্ষক বঁটা-২০২৬ৰ বাবে ১৫ গৰাকী শিক্ষকক বাছনি কৰা হৈছে। কালি এখন জাননীৰ জৰিয়তে কৃতি শিক্ষক বঁটা প্ৰাপকসকলৰ নাম ঘোষণা কৰাৰ বাতৰিটো অসমীয়া প্ৰতিদিন আৰু দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰসংঘৰ শেহতীয়া এখন প্ৰতিবেদনত প্ৰকাশ পোৱা তথ্য অনুসৰি সাগৰৰ জলস্তৰ বৃদ্ধিৰ ফলত কলকাতা, মুম্বাই আৰু ঢাকাৰ দৰে দক্ষিণ এছিয়াৰ নিম্নভূমি অঞ্চলৰ চহৰসমূহৰ প্ৰায় ১ কোটি ৪০ লাখতকৈও অধিক লোক ক্ষতিগ্ৰস্ত হোৱাৰ আশংকা কৰা হৈছে। এই বাতৰিটোক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বিশ্বৰ অন্যতম আগশাৰীৰ ফ্লিণ্ডাৰ্ছ বিশ্ববিদ্যালয়ৰ অধ্যাপক উদয় শইকীয়াক ২০২৬ বৰ্ষৰ স্নাতকোত্তৰ গৱেষণাত তত্বাৱধানৰ উৎকৰ্ষতাৰ বাবে অষ্ট্ৰেলিয়া চৰকাৰে বিজয়ী ঘোষণা কৰাৰ এটা বাতৰি অসমীয়া খবৰ কাকতে বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা, মেঘালয় আৰু মণিপুৰৰ ঠাই বিশেষে মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০

ঃঃ সমাপ্ত ঃঃ